

# বন মহোৎসৱ

## ১-৭ জুলাই, ২০২১

DUWAR Foundation

**পৰিচয়সূচক আৰু সজাগতামূলক ক্ষুদ্ৰ পত্ৰিকা**

DUWAR Foundation ৰ দ্বাৰা প্ৰকাশিত
ৱেবচাইট: www.duwarfoundation.org
ই-মেইল: duwarfoundation@gmail.com



# বন মহোৎসৱ

সেয়া ১৯৫০ চনৰ কথা। তেতিয়া ভাৰতবৰ্ষৰ কেন্দ্ৰীয় কৃষি আৰু খাদ্য বিভাগৰ মন্ত্ৰীৰ দায়িত্বত আছিল কানাইয়ালাল মানেকলাল মুঞ্চী। তেখেতৰ নেতৃত্বতে প্ৰকৃতিৰ বাবে, প্ৰকৃতিৰ হকে সপ্তাহজোৰা গছপুলি ৰোপণৰ এক উৎসৱমুখৰ সংৰক্ষণকামী অনুষ্ঠান আৰম্ভ কৰাৰ কথা চিন্তা কৰা হয়। সেই উদ্দেশ্যে ১৯৫০ চনত মুঞ্চীৰ হাতেৰে ৰাজঘাটত ৰোপণ কৰা এজোপা গছেৰে আৰম্ভ হয় এই সপ্তাহজোৰা গছপুলি ৰোপন উৎসৱৰ । প্ৰথম বছৰ এই উৎসৱৰ বাবে ১০৮ টা গছপুলি প্ৰদান কৰিছিল দিল্লী গুজৰাটী সমাজে। ভাৰতবৰ্ষত প্ৰতি বছৰে জুলাই মাহৰ প্ৰথম সপ্তাহটো পালন কৰা হয় এই উৎসৱ। সমগ্ৰ সপ্তাহজোৰা এই অনুষ্ঠানৰ নাম ৰখা হয় বন মহোৎসৱ।



বিভিন্ন শৈক্ষিক অনুষ্ঠান, ৰাজহুৱা অনুষ্ঠান আদিত গছপুলি ৰোপণ আৰু বিতৰণৰ যোগেদি এই উৎসৱ ওলহ-মালহেৰে আয়োজন কৰা হয়। খাদ্যসামগ্ৰীৰ উৎকৰ্ষ সাধন, শৈক্ষিক সংৰক্ষণ চেতনা বিকাশ, প্ৰকৃতিৰ প্ৰতি দায়বদ্ধতা গুণৰ বিকাশ আদিক মূল লক্ষ্য হিচাপে লৈ আয়োজন কৰা হয় এই সপ্তাহজোৰা মহোৎসৱৰ।

কানাইয়ালাল মানেকলাল মুঞ্চী সেই সময়ত আন এটা নাম কুলপতি কে এম মুঞ্চী নামেৰে বেছি জনপ্ৰিয় আছিল। ১৮৮৭ চনৰ ৩০ ডিচেম্বৰ তাৰিখে মুঞ্চীৰ জন্ম হৈছিল । একেধাৰে লেখক,সাংবাদিক, ৰাজনীতিবিদ, অধিবক্তা মুঞ্চীয়ে ঘনশ্যাম ব্যাস ছদ্মনামেৰে গুজৰাটী সাহিত্য চৰ্চা কৰিছিল। স্বাধীনতা পূৰ্বৰ ভাৰতীয় সমাজ ব্যৱস্থালৈ মুঞ্চীৰ অৱদান আছিল অপৰিসীম।

তেখেতে সংবাদ সেৱা আৰম্ভ কৰিছিল মাহেকীয়া 'ভাৰ্গবা' নামৰ গুজৰাটী আলোচনীখনৰ জৰিয়তে। ইয়াৰ উপৰিও তেখেতে 'য়ং ইণ্ডিয়া'ৰ যুটীয়া সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। হিন্দী সাহিত্য সন্মিলন, গুজৰাটী সাহিত্য পৰিষদ আৰু সংস্কৃত বিশ্ব পৰিষদৰ সভাপতিৰ দায়িত্বও পালন কৰিছিল। তেখেত ১৯৪৭ চনত আমাৰ জাতীয় পতাকা নিৰ্বাচন সমিতি 'এধক ফ্লেগ কমিটি'ৰ সৈতেও জড়িত আছিল। ইয়াৰ উপৰিও বি আৰ আম্বেদকাৰ নেতৃত্বাধীন ভাৰতীয় সংবিধানৰ খচৰা সমিতিৰ সৈতেও জড়িত আছিল। এজন লেখক হিচাপেও মুঞ্চী এক উল্লেযোগ্য নাম । মুঞ্চীৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত 'মাৰি কামালা', ' আই ফল' দ্য মহাত্মা', 'ৰাজাধীৰাজ', 'গান্ধী: দ্য মাষ্টাৰ' আদিয়ে প্ৰদান।






বন-বননি আৰু পৰিৱেশৰ প্ৰতি মুঞ্চীয়ে আগবঢ়োৱা অৱদানৰ বাবে ১৯৮৮ চনত মুঞ্চীৰ সোঁৱৰণত ভাৰতীয় ডাক বিভাগে এটি ডাক-টিকটো মুকলি কৰিছিল। পৰিৱেশ প্ৰকৃতি সংৰক্ষণক মূল লক্ষ্য হিচাপে লোৱা মুঞ্চীৰ দেহাৱসান ঘটে ১৯৭১ চনৰ ৮ ফেব্ৰুৱাৰী তাৰিখে।

তথ্য সংযোজন আৰু লেখা:

মানস প্ৰতিম দত্ত

DUWAR Foundation দুৱাৰ ফাউণ্ডেচনৰ হে ক'ৰ কমিটিৰ দ্বাৰা প্ৰচাৰিত আৰু প্ৰকাশিত।